**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬০১/২০১৯**

## অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিৰ প্ৰথমখন গৱৰ্নিং ব'ডিৰ বৈঠক
## ব্যাপক জনসচেতনতা সৃষ্টিৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ২৩ ডিচেম্বৰ ঃ** অসম জলবায়ু পৰিৱৰ্তন ব্যৱস্থাপনা সমিতিৰ প্ৰথমখন গৱৰ্নিং ব'ডিৰ বৈঠক আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত বিশ্ব জলবায়ু পৰিৱৰ্তনৰ লগত সংগতি ৰাখি ৰাজ্যখনৰ জলবায়ুৰ পৰিৱৰ্তন ৰোধ কৰাৰ ক্ষেত্ৰত ল'বলগীয়া বিভিন্ন পদক্ষেপ সম্পৰ্কত আলোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জলবায়ুৰ পৰিৱৰ্তন সম্পৰ্কত সৰ্বসাধাৰণ ৰাইজ অৱগত হ'ব পৰাকৈ পদক্ষেপ ল'ব লাগিব। জনসচেতনতা সৃষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ মাজত মত-বিনিময়ৰ জৰিয়তে ব্যাপক জনসচেতনতা গঢ়িব লাগিব। মুখ্যমন্ত্ৰীয়ে গাওঁ পঞ্চায়ত, গাওঁ বুঢ়া সকলক লৈ এই সম্পৰ্কত এখন সভা অনুষ্ঠিত কৰাৰ বাবে বন বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিখন গাওঁ পঞ্চায়তে এই সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰি সমগ্ৰ প্ৰক্ৰিয়াটোৰ লগত পঞ্চায়তৰ প্ৰতিনিধি, গাওঁবুঢ়াক জড়িত কৰি তৃণমূল পৰ্যায়লৈ জলবায়ু পৰিৱৰ্তন সম্পৰ্কত আভাষ দিয়াৰ বাবে দৃঢ়তাৰে প্ৰয়াস চলাব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন অভয়াৰণ্যলৈ লৈ যাব লাগে যাতে ব্যৱহাৰিক ভিত্তিত পৰিৱেশ সম্পৰ্কে তেওঁলোকে জ্ঞান অৰ্জন কৰিব পাৰে।

আজিৰ এই বৈঠকত উদ্যোগ আৰু পৰিবহন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, মুখ্য সচিব আলোক কুমাৰ আৰু বন বিভাগকে ধৰি বিভিন্ন বিভাগৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ/ বঃভাঃ**
**২৩/১২/২০১৯**